**Dr. Ranoj Pegu**



**Minister**
Education,Welfare of Plain Tribe
& Backward Classes-non BTC,
Assam, Dispur, Guwahati-781006


সত্যমেব জয়তে

# শুভেচ্ছাবাণী

কামৰূপ জিলাৰ মির্জাস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ, সমগ্ৰ শিক্ষা কামৰূপৰ যৌথ প্ৰচেষ্টাত জিলা শৈক্ষিক অন্ত:কৰণ গোটৰ দ্বাৰা প্ৰকাশিত 'গুৰুবাৰ্তা' শীৰ্ষক অনলাইন আলোচনীখনৰ দ্বিতীয় সংখ্যাটি প্ৰকাশৰ কথা জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ আৰু সংশ্লিষ্ট পক্ষক মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিছোঁ।

বৰ্তমান সময়ত জনপ্ৰিয় হৈ পৰা অনলাইন মাধ্যমত মূলত: শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক প্ৰধান পাঠক হিচাপে লৈ শিক্ষাৰ বিভিন্ন দিশৰ প্ৰসাৰৰ নিমিত্তে লোৱা এই প্ৰচেষ্টা নিশ্চয়কৈ আদৰণীয়। তদুপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰজ্ঞান ব্যক্তিসকলকো এই প্ৰচেষ্টাৰ অংশ কৰি লোৱা হৈছে। সেয়েহে আমি আশা কৰিব পাৰো যে প্ৰচাৰ-প্ৰসাৰৰ মাধ্যম হিচাপে 'গুৰুবাৰ্তা'ই এক মহান কাৰ্য্য সমাধা কৰিব। শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সৃজনীশীল কৰ্মসমূহৰ পৰিবেশন আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে জ্ঞান মুকুতাৰ সৌৰভ বিলোৱাৰ ক্ষেত্ৰত 'গুৰুবাৰ্তা'ই নিদৰ্শনমূলক প্লেটফৰ্ম হৈ উজ্বলি উঠক।

সদৌশেষত 'গুৰুবাৰ্তা'ৰ সম্পাদক ড° শিৰোমণি ভূঞাকে আদি কৰি 'গুৰুবাৰ্তা'ৰ সম্পাদনা সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়া আৰু কামৰূপ জিলাৰ শিক্ষক সমাজক মোৰ অকৃত্ৰিম উৎসাহ আৰু আন্তৰিক ধন্যবাদ জনাইছোঁ।

(ডা:ৰণোজ পেগু)